# জাননী

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা অসমৰ স্থায়ী বাসিন্দাৰ অধিসূচীত ধৰ্মীয় সংখ্যালঘু (মুছলিম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আৰু পাৰ্চী) হিতাধিকাৰীৰ বাবে নিম্ন উল্লেখিত আঁচনিসমূহ ব'ৰ্ডৰ আৰ্থ-সাহাৰ্য্যৰে ব্যৱস্থা কৰা হৈছে। হিতাধিকাৰীৰ/ অভিভাৱকৰ বাৰ্ষিক আয় পাঁচ লাখ (৫.০০ লাখ) টকাতকৈ অধিক হ'ব নোৱাৰিব। হিতাধিকাৰীয়ে অনলাইনযোগে পূৰণ কৰা আবেদনৰ প্ৰতিলিপিৰ লগত যাৱতীয় নথি-পত্ৰ আপলোড কৰিব লাগিব। ইয়াৰ উপৰিও এই নথি-পত্ৰ সমূহৰ ফটোকপিসহ মূল কপি সত্যাপন (verification) ৰ সময়ত লৈ আহিব লাগিব। বাচনিকৃত আবেদনকাৰী সকলক পৰৱৰ্তী সময়ত সত্যাপনৰ তাৰিখ জনোৱা হ'ব। ইচ্ছুক আবেদনকাৰী সকলে অহা ১৫/০৯/২০২৫ তাৰিখৰ ভিতৰত https://amdb.assam.gov.in (Assam Minorities Development Board) ৱেবচাইটত অনলাইন যোগে আবেদন দাখিল কৰিব লাগিব। অসম্পূৰ্ণ আবেদন/ প্ৰ-পত্ৰ গ্ৰহনযোগ্য নহ'ব। অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ বাচনি কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব। পাঠ্যক্ৰম সমূহৰ বাচনি মেধাভিত্তিত কৰা হ'ব আৰু কিছু আসন বিভিন্ন শ্ৰেণীৰ বাবে সংৰক্ষিত থাকিব।

| ক্ৰ. নং | আঁচনিৰ নাম | শিক্ষাগত অৰ্হতা | পাঠ্যক্ৰমৰ সময়সীমা | বয়স |
|---|---|---|---|---|
| ১ | বি.পি.টি. (B.P.T.) | উচ্চতৰ মাধ্যমিকৰ (১০+২) বিজ্ঞান শাখাত (পি.চি.বি.ৰ সৈতে) নিম্নতম (i) অসংৰক্ষিত (UR): ৪৫% আৰু (ii) সংৰক্ষিত (Reserved): ৪০%। | ৪ ১/২ বছৰ | অসংৰক্ষিত (UR): ১৭-২৪ বছৰ (সংৰক্ষিত (Reserved) আসনৰ বাবে ৩ বছৰ শিথিল কৰা হ'ব)। |
| ২ | ডি.এম.এল.টি. (D.M.L.T.) | ঐ (Same as above) | ২ বছৰ | ঐ (Same as above) |
| ৩ | জি.এন.এম. (G.N.M) | উচ্চতৰ মাধ্যমিকৰ (১০+২) যিকোনো শাখাত নিম্নতম ৪০% | ৩ বছৰ | ১৭-৩০ বছৰ |
| ৪ | ইউ.পি.এচ.চি/ এ.পি.এচ.চি. পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰশিক্ষণ (Coaching for Entrance Exam for UPSC/ APSC) | স্নাতক পৰীক্ষাত (Graduation) যিকোনো শাখাত উত্তীৰ্ণ হব লাগিব। | ১ বছৰ | ২১-৩২ বছৰ |
| ৫ | ফেচন ডিজাইন মেচিন বিতৰণ | নিম্নতম পঞ্চম শ্ৰেণী উত্তীৰ্ণ হব লাগিব। | – | ১৮-৫০ বছৰ |

বি.দ্ৰ:

(১) বি.পি.টি., ডি.এম.এল.টি. আৰু জি.এন.এম. পাঠ্যক্ৰমৰ মুঠ খৰচৰ ৯০% চৰকাৰী অনুদান আৰু ১০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব। আবেদনকাৰীয়ে Srimanta Sankaradeva University of Health Sciences (SSUHS) ৰ অধীনত Common Entrance Exam (CEE) ২০২৫ বৰ্ষৰ পৰীক্ষাত উত্তীৰ্ণ হব লাগিব।

(২) ইউ.পি.এচ.চি/ এ.পি.এচ.চি. পাঠ্যক্ৰমৰ প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰশিক্ষণ আৰু ফেচন ডিজাইন মেচিন বিতৰণৰ সম্পূৰ্ণ খৰচ চৰকাৰে বহন কৰিব।

(৩) জি.এন.এম. পাঠ্যক্ৰম আৰু ফেচন ডিজাইন মেচিন বিতৰণৰ বাবে কেৱল মহিলা হিতাধিকাৰীয়ে আবেদন দাখিল কৰিব পাৰিব।

যোগাযোগৰ বাবে দূৰভাষ: ৭৬৩৫৯৯৮০০২

স্বাক্ষৰ/-<br>সঞ্চালিকা,<br>অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ড<br>ৰাধা গোবিন্দ বৰুৱা পথ, গণেশগুৰি, গুৱাহাটী-৬